**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে।

২। আই এন এছ্ মহেন্দ্ৰগিৰি নামৰ অত্যাধুনিক যুদ্ধজাহাজ আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ প্ৰতীক বুলি প্ৰধানমন্ত্ৰীয়ে অভিহিত কৰিছে।

৩। অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে। অৱশ্যে এতিয়াও ১০ খন জিলাৰ ৮১০ খন গাঁও বানত বুৰ গৈ আছে।

৪। প্ৰধানমন্ত্ৰীয়ে আজি টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতি অসমৰ বান পৰিস্থিতিৰ বুজ লয়। *আৰু*

৫। ভাৰত আৰু জিম্বাব্'ৱেৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব।

0000000

১৯৯৯ চনত কাৰ্গিল যুদ্ধত প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকৰ অসীম বীৰত্বৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশত আজি ২৭ সংখ্যক কাৰ্গিল বিজয় দিৱস পালন কৰা হৈছে। এই অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে পাকিস্তানী সৈনিক আৰু সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশ কৰা জম্মু-কাশ্মীৰৰ কাৰ্গিলৰ ভূখণ্ডক নিজৰ নিয়ন্ত্ৰণলৈ আনিছিল।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। তেওঁ কয় যে দেশে প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন, ৰপ্তানী অথবা মৈত্ৰী ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত অবিৰতভাৱে নতুন শিখৰত উপনীত হৈছে। তেওঁ কয়, যে কাৰ্গিল বিজয় দিৱস উদযাপন কৰাৰ বাবেই ২৬ জুলাইৰ দিনটো মনত ৰাখিবলৈ দিনপঞ্জীৰ প্ৰয়োজন নহয়। শ্ৰীমোদীয়ে কয়, যে এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে। শ্ৰীমোদীয়ে সকলোকে ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ আৰু নিৰাপদ, সামৰ্থবান আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্প সুদৃঢ় কৰিবলৈ আহ্বান জনায়। কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি যোৱা ১৪ জুলাইত দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ পৰা বিশেষ শৌৰ্য্য বিজয় যাত্ৰা উলিওৱা হৈছে আৰু আজি মটৰ চাইকেল শোভাযাত্ৰা ড্ৰাছত থকা কাৰ্গিল যুদ্ধস্মাৰকত উপস্থিত হ'ব। তেওঁ কয়, যে এটা যাত্ৰা-এখন ৰাষ্ট্ৰ-একেটা অভিবাদন বাৰ্তাৰে উলিওৱা এই যাত্ৰাই সকলোকে এই কথা সোঁৱৰাই দিয়ে যে ৰাষ্ট্ৰৰ বাবে কৰা ত্যাগৰ বিষয়ে কেতিয়াও পাহৰিব নোৱাৰি। দেশে অহৰহভাৱে প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে আই এন এছ্ মহেন্দ্ৰগিৰি নামৰ দেশতে নিৰ্মিত এখন অত্যাধুনিক

যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। জাহাজখনত ব্যৱহৃত ৭৫ শতাংশৰো অধিক সামগ্ৰী স্বদেশী বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে জাহাজখনক আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ প্ৰতীক বুলি অভিহিত কৰে।

-বাইট-(মোডী-১)

প্ৰধানমন্ত্ৰীয়ে কেটচ-দ্যা ৰেইন অভিযানৰ কথা উল্লেখ কৰি কয় যে এই বিশেষ ৰাষ্ট্ৰজোৰা অভিযান ৪ জুলাইৰ পৰা চলি আছে। এই অভিযানৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ, ভূগৰ্ভৰ পানী পুনৰ আহৰণ, পুৰণি জলস্তৰ পুনৰ উদ্ধাৰ তথা গছপুলি ৰোপণ কাৰ্যসূচীক নতুন গতি প্ৰদান কৰা হৈছে। শ্ৰীমোদীয়ে গাঁও কিম্বা চহৰ, পঞ্চায়ত অথবা সামাজিক সংস্থাসমূহকে ধৰি সকলোতে জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণকলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে কোনো কোনো অঞ্চলত পুৰণি পুখুৰীসমূহৰ পৰা বোকা আতঁৰোৱাৰ লগতে বিভিন্ন ঠাইত কুঁৱাবোৰ পুনৰউদ্ধাৰ কৰা হৈছে। মধ্যপ্ৰদেশৰ সিদ্ধি জিলাত এহেজাৰ ৫০০টা পুখুৰী খন্দা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে নাৰ্ছিংপুৰত অমৃত সৰোবৰ নিৰ্মাণ কৰাৰ লগতে নাছিকত পানী মজুত কৰাৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। একেদৰে অন্ধ্ৰপ্ৰদেশৰ নন্দ্যালত সকলো গাঁওপঞ্চায়তে এই অভিযানত অংশ লৈ পুৰণি পুখুৰীসমূহ পুনৰ উদ্ধাৰ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে কয় যে কিছুদিন পূৰ্বে গ্লাছগোত আৰম্ভ হোৱা কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা এথলিটসকলক প্ৰতিজন ভাৰতীয়ই শুভেচ্ছা জনাইছে। প্ৰতিগৰাকী খেলুৱৈয়ে সুন্দৰ প্ৰদৰ্শন কৰিব বুলি দেশবাসীয়ে আশা প্ৰকাশ কৰিছে। শেহতীয়াকৈ ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ যুৱক-যুৱতীসকলে উল্লেখনীয় সাফল্য লাভ কৰাক লৈ গৌৰৱ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে পি ভি সিন্ধু হৈছে জাপান অপেনৰ খিতাপ দখল কৰা প্ৰথম গৰাকী ভাৰতীয় বেডমিণ্টন খেলুৱৈ। ভাৰতীয় মহিলা ক্ৰিকেট দলেও লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত টেষ্ট ক্ৰিকেটত জয়লাভ কৰাৰ কথা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এই জয়ক ঐতিহাসিক বুলি অভিহিত কৰে।

শ্ৰীমোদীয়ে ছায়েন্স অলিম্পিয়াডৰ কথা প্ৰকাশ কৰি কয় যে এই অলিম্পিয়াডত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰই অহা ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰিব। এই দিনটোত দেশৰ শিপিনীসকলৰ দক্ষতা আৰু সৃজনীশিলতাক উদযাপন কৰা হয় বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে হস্তনিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰৰ জৰিয়তে শিপিনীসকলক উৎসাহিত কৰাৰ লগতে ভকেল ফৰ লোকেল ধাৰণাক অধিক শক্তিশালী কৰি তুলিবলৈ জনসাধাৰণক আহ্বান জনাই।

-বাইট-(মোডী-২)

মন কি বাতৰ সামৰণিত শ্ৰীমোদীয়ে অহা ১৫ আগষ্টত উদযাপন কৰিবলগীয়া স্বাধীনতা দিৱসৰ কথা উল্লেখ কৰি কয় যে এই দিনটোত দেশৰ স্বাধীনতাৰ হকে সৰ্বোচ্চ ত্যাগ কৰা সহস্ৰ বীৰক স্মৰণ কৰা হয়। তেওঁ কয় যে বিগত বছৰ সমূহত হৰ ঘৰ ত্ৰিৰংগা অভিযানে সমগ্ৰ দেশক একত্ৰিত কৰি ৰাখিছে। তেওঁ জনসাধাৰণক ১৫ আগষ্টৰ পূৰ্বে মাই গভট তেওঁলোকৰ ন ন ধাৰণা আৰু পৰামৰ্শসমূহ আগবঢ়াবলৈ আহ্বান জনায়।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ বাবে সৰ্বোচ্চ বলিদান দিয়া সাহসী জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে কাৰ্গিল বিজয় দিৱস হৈছে ভাৰতীয় সেনাৰ অদম্য সাহস আৰু বিৰত্বৰ প্ৰতীক। তেওঁ কয় যে ১৯৯৯ চনত হিমালয়ৰ বৰফাবৃত্ত পৰ্বতৰ সুউচ্চ স্থানত শত্ৰু পক্ষৰ অৱস্থান আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজত ভাৰতৰ সাহসী জোৱানসকলে অপাৰেচন বিজয়ৰ জৰিয়তে শত্ৰুক নিচিহ্ন কৰিবলৈ সমৰ্থ হৈছিল।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো এই দিৱস উপলক্ষে কাৰ্গিলত নিহত বীৰ জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰে। এটা বাৰ্তাত শ্ৰীবিৰলাই কাৰ্গিল যুদ্ধৰ জোৱানসকলৰ অদম্য সাহস আৰু অটল সমৰ্পনে পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে। অৱশ্যে এতিয়াও ১০ খন জিলাৰ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৫ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৩৪ হাজাৰ ৯৭০ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতে আৰু অসমৰ বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। শ্ৰীসোণোৱালে সামাজিক মাধ্যমযোগে কয় যে তেওঁ সম্প্ৰতি ডিব্ৰুগড়ত আছে আৰু বান প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ মূল্যায়ন কৰি আছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে অসমক সদায় হৃদয়ত বিশেষ স্থান দি আহিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰীৰ ক্ষীপ্ৰ ব্যৱস্থাৰ প্ৰতিশ্ৰুতি অনুযায়ী আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ এটা প্ৰতিনিধি দল ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু দলটোৱে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি আছে। শ্ৰীসোণোৱালে কয় যে কেন্দ্ৰীয় চৰকাৰে বিপদৰ এই মুহুৰ্তত অসমৰ জনসাধাৰণৰ সৈতে কান্ধত কান্ধ মিলাই থিয় দিছে আৰু উদ্ধাৰ তথা পুনৰ্বাসনৰ বাবে প্ৰয়োজনীয় সকলো সহায় সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিছে।

০০০০০০০

ভাৰত আৰু জিম্বাব্ৱেৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে চাৰি বজাত আৰম্ভ হ'ব। ভাৰতে কালি একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাব্ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। জিম্বাব্ৱে ২২০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৯ ৰান কৰে। উল্লেখযোগে যে ভাৰতে শুকুৰবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত জিম্বাব্ৱেৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০০০

সমাপ্ত